
মনত ৰাখিব অসমে
মনত ৰাখিব অসমে
কংগ্ৰেছৰ ক'লা অধ্যায়!

## উগ্ৰবাদ আৰু জাতিগত হিংসাই বিপৰ্যস্ত কৰিছিল অসমৰ আইন-শৃংখলা



- ২০০৪ চনত **ধেমাজিৰ বিদ্যালয়ত সংঘটিত বোমা বিস্ফোৰণত শিশুসহ ১৮ গৰাকী** লোকে প্ৰাণ হেৰুৱাইছিল
- ২০০৮ চনত গুৱাহাটী, কোকৰাঝাৰ, বৰপেটা আৰু বঙাইগাঁৱত সংঘটিত হৈছিল **১৮ টাকৈ ধাৰাবাহিক বোমা বিস্ফোৰণ**, নিহত হৈছিল **৮১ গৰাকী**, আহত হৈছিল **৪৭০ গৰাকী**
- **৬০+ বিদ্ৰোহী সংগঠনৰ** হিংসাত্মক কাৰ্যকলাপৰ ফলত ব্যাহত হৈছিল স্বাভাৱিক পৰিৱেশ; অসমৰ পৰ্যটন, বিনিয়োগ ক্ষেত্ৰত ইয়াৰ ব্যাপক প্ৰভাৱ পৰিছিল
- ২০০০ চনৰ পৰা ২০১৪ চনলৈ **৩,২০০+ বিদ্ৰোহীৰ মৃত্যু**, হিংসা-প্ৰৱণ ৰাজ্যসমূহৰ ভিতৰত অসমৰ নাম অন্তৰ্ভুক্ত আছিল
- ২০১৪ চনত সংঘটিত হোৱা **বড়ো-মুছলমান সংঘৰ্ষ**ত মৃত্যু হৈছিল ৩৪ গৰাকী লোকৰ
- **কোকৰাঝাৰ গোষ্ঠী সংঘৰ্ষ** (২০১২ চন): য'ত মৃত্যু হৈছিল ১০৮ গৰাকী লোকৰ, গৃহহীন হৈছিল প্ৰায় ৪ লাখ লোক
- ৯ বছৰত (২০০৫-২০১৪) **মাত্ৰ ৩.১ লাখ বিদেশী পৰ্যটকে** অসম ভ্ৰমণ কৰিছিল

## তুষ্টিকৰণৰ ৰাজনীতি আৰু অনিয়ন্ত্ৰিত অবৈধ অনুপ্ৰৱেশকাৰী



- কংগ্ৰেছে ১৯৮৩ চনত **IMDT ৰ দৰে ক'লা আইন** বলবৎ কৰিছিল, যিয়ে ভোট বেংকৰ স্বাৰ্থত মিঞা-মুছলমানসকলক নিয়ন্ত্ৰণহীনভাৱে অবৈধ অনুপ্ৰৱেশৰ অনুমতি দিছিল
- ১৯৫১ চনত অসমত **মুছলমানৰ জনসংখ্যা** আছিল ১২%, ২০২৪ চনত হ'লগৈ ৪০%, এনেকৈ বাঢ়ি গৈ থাকিলে **২০৬১ চনত সংখ্যাগৰিষ্ঠ হ'ব বুলি অনুমান** কৰা হৈছে, এয়া হৈছে কেৱল কংগ্ৰেছৰ তুষ্টিকৰণৰ ৰাজনীতিৰ বাবে
- ১৯৯৫ চনত কংগ্ৰেছে **'মাদ্ৰাছা শিক্ষা আইন'** প্ৰণয়ন কৰিছিল, যি অৱশেষত সন্ত্ৰাসবাদীৰ কাম-কাজৰ ঘাটি হিচাপে পৰিগণিত হৈছিল
- **গৌৰৱ গগৈয়ে ঈদত নামাজ আদায় কৰিছিল,** কিন্তু ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠান তথা মহাকুম্ভ মেলালৈ যোৱাৰ বাবে তেওঁৰ সময় নাছিল
- **গৌৰৱ গগৈয়ে** অসম চৰকাৰৰ **'গো-মাংস' নিষিদ্ধ** কৰাৰ সিদ্ধান্তক সমালোচনা কৰিছিল

**TAKE A PLEDGE**

**TO ENSURE CONGRESS NEVER COMES BACK TO POWER**

## পৰিয়ালবাদৰ ৰাজনীতি



- **তৰুণ গগৈৰ উত্তৰাধিকাৰী হিচাপে পুত্ৰ গৌৰৱ গগৈয়ে** দলটোত যোগদান কৰাৰ পাছতে তৃণমূল পৰ্যায়ৰ বহু কংগ্ৰেছ কৰ্মীয়ে দলত্যাগ কৰিছিল
- ৰকিবুল হুছেইনৰ উত্তৰাধিকাৰী হিচাপে পুত্ৰ **তাঞ্জিল হুছেইনক** চামগুৰি সমষ্টিৰ পৰা প্ৰক্ষেপ কৰিছিল
- **দেবব্ৰত শইকীয়াই** নাজিৰা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছিল, নাজিৰা সমষ্টিৰ পৰাই **দেবব্ৰত শইকীয়াৰ** পিতৃ **হিতেশ্বৰ শইকীয়াই** প্ৰতিনিধিত্ব কৰিছিল

## অৱহেলিত স্বাস্থ্য আৰু শিক্ষা খণ্ড



- ২০১৫ চনলৈ অসমত মাত্ৰ **৬ খন চিকিৎসা মহাবিদ্যালয়** আছিল
- প্ৰতি ১০০০ গৰাকী নৱজাতকৰ ভিতৰত মৃত্যুৰ হাৰ আছিল **৪৮** (২০১৫-১৬)
- অসমত ভাৰতৰ ভিতৰতে সৰ্বাধিক মাতৃৰ মৃত্যুৰ অনুপাত আছিল, **প্ৰতি এক লাখ জীৱিত জন্মৰ বিপৰীতে ৩০০ গৰাকী** (২০১১-১৩), যিটো ৰাষ্ট্ৰীয় গড় (১৬৭) তকৈ বহু বেছি
- ২০১১-১৩ বৰ্ষত অসমত **এজন ব্যক্তিৰ গড় আয়ু** আছিল ৬৩.৬ বছৰ, একেদৰে মহিলাৰ ক্ষেত্ৰত আছিল ৬৮.৮ বছৰ, যিটো ৰাষ্ট্ৰীয় গড় আয়ুতকৈ কম আছিল
- ২০১১ চনত সাক্ষৰতাৰ হাৰ আছিল মাত্ৰ ৭২.১৯%, মহিলাৰ **সাক্ষৰতা** মাত্ৰ ৬৬.২৭%

## কেলেংকাৰী আৰু দুৰ্নীতি




- ২০১৪ বৰ্ষত **৮৮ খন ভুৱা উত্তৰবহী লিখি** APSCৰ চাকৰি পাইছিল **২২ গৰাকী প্ৰাৰ্থীয়ে**
- **দুৰ্নীতিৰ সদাগৰ ৰাকেশ পালে** ধনৰ বিনিময়ত দিছিল একাংশ **অযোগ্য প্ৰাৰ্থীক নিযুক্তি**
- MGNREGAৰ - অধীনত ২০০৮-২০১৬ বৰ্ষৰ ভিতৰত প্ৰায় **৪ লাখ ভুৱা জব কাৰ্ড** জাৰী কৰা হৈছিল

**TAKE A PLEDGE**

**TO ENSURE CONGRESS NEVER COMES BACK TO POWER**

## মহিলাসকলৰ দুৰ্দশা



- **৩৮% মহিলাই** আইনী বয়সৰ পূৰ্বে বিয়াত বহিছিল (NFHS-তথ্য, ২০০৫-০৬)
- **জননী সুৰক্ষা যোজনাৰ দুৰ্বল ৰূপায়ণ**, গ্ৰাম্য আৰু জনজাতীয় মহিলাসকলৰ মাজত সীমিত প্ৰসাৰ
- ২০০০ চনৰ আৰম্ভণিতে প্ৰতিষ্ঠানিক প্ৰসৱৰ হাৰ **২৫%ৰ তলত** আছিল, যাৰ ফলত মহিলাসকল অসুৰক্ষিত প্ৰসৱৰ সন্মুখীন হ'বলগীয়া হৈছিল
- ২০১৪ চনলৈকে অসমৰ **৪৬% মহিলা ৰক্তহীন আৰু পুষ্টিহীনতাত ভুগিছিল** (NFHS তথ্য)
- অসমত **২০০৪-০৫ চনত** প্ৰতি এক লাখ জীৱিত জন্মৰ বিপৰীতে **৩০১ গৰাকী মাতৃৰ মৃত্যু** হৈছিল, যিটো ভাৰতৰ ভিতৰত সৰ্বাধিক আছিল

## পুতৌলগা আন্তঃগাঁথনি



- **ঢলা-শদিয়া আৰু বগীবিল দলঙৰ** নিৰ্মাণকাৰ্য কেইবা বছৰ ধৰি অসম্পূৰ্ণ হৈ আছিল
- **৬০%+ গাঁৱত** খোৱাপানী আৰু বিদ্যুতৰ ব্যৱস্থা নাছিল
- অসমৰ বহু জিলাত **ব্ৰডগজ ৰে'ল সংযোগ** নাছিল, ৰে'ল পথৰ বৈদ্যুতিকৰণ কৰা হোৱা নাছিল
- অসমত মাত্ৰ এটা **কাৰ্যকৰী বিমানবন্দৰ** আছিল, আঞ্চলিক বিমানবন্দৰ সমূহৰ উন্নয়ন হোৱা নাছিল

## অধিক জানিবলৈ

**তলৰ QR Code-টো স্কেন কৰক**

http://www.monotrakiboaxome.com